শ্বেৰা সিং

বনাম

পাঞ্জাব চৰকাৰ

২৮ আগষ্ট, ১৯৯৬

[ন্যায়াধীশ- জি.এন. ৰায় আৰু বি.এল. হান্সৰিয়া)

দণ্ডবিধি, ১৮৬০ :

ধাৰা ৩০২, সংলগ্ন ধাৰা ৩৪- হত্যা- তিনি অভিযুক্তক দোষী সাব্যস্ত কৰি আজীৱন কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা বিহা হয়- আপীলত উচ্চ ন্যায়ালয়ে দুজন সহ -অভিযুক্তক দোষমুক্ত কৰি আপীলকাৰীৰ দোষী সাব্যস্ত কৰা ৰায় বাহাল ৰাখে- দোষী সাব্যস্তকৰণ মূলতঃ ৰাজ সাক্ষীৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰি দিয়া হৈছে আৰু ৰাজ সাক্ষীৰ সাক্ষ্যক আন এজন সাক্ষীয়ে সমৰ্থন কৰিছে- আপীলত কোৱা হৈছিল যে ৰাজ সাক্ষীৰ সাক্ষ্য যুক্তিসংগত সাক্ষ্য প্ৰমাণেৰে সমৰ্থিত হ'ব লাগিব- মৃতকক শেষবাৰৰ বাবে আপীলকাৰীৰ সৈতে একেলগে দেখা পোৱা বুলি সাক্ষীৰ সাক্ষ্যই ৰাজ সাক্ষীৰ সাক্ষ্যক সমৰ্থন কৰিছে বুলি গণ্য কৰিব নোৱাৰি - আপীলকাৰীৰ বিৰুদ্ধে দিয়া দোষী সাব্যস্তকৰণৰ ৰায় আৰু শাস্তিৰ ৰায় বাতিল কৰা হ'ল।

ফৌজাদাৰী আপীল ক্ষেত্ৰাধিকাৰ: ১৯৮৫ চনৰ ৩২৮ নং ফৌজাদাৰী আপীল

পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ ১৯৮৩ চনৰ ফৌজাদাৰী আপীল নম্বৰ ৫৬০-ডিবিত ১৭.১.৮৪ তাৰিখে দিয়া ৰায় আৰু আদেশৰ পৰা

আৰ.চি. কোহলী- আপীলকাৰীৰ বাবে ।

শ্ৰীমতী অৰ্ণিতা গুপ্তাৰ বাবে আৰ. ছুৰি- প্ৰতিবাদকাৰীৰ বাবে ।

আদালতৰ তলত দিয়া আদেশটো প্ৰদান কৰা হয়:

১৯৮৩ চনৰ সত্ৰ গোচৰ নম্বৰ ৪১ ত ফিৰোজপুৰৰ বিদ্বান সত্ৰ ন্যায়াধীশৰ সন্মুখত আপীলকাৰী শ্বেৰা সিংকে ধৰি তিনিজন অভিযুক্তৰ বিৰুদ্ধে হত্যাৰ অপৰাধত বিচাৰ চলিছিল। ১৯৮৩ চনৰ ২৯ জুলাই তাৰিখৰ ৰায়দানৰ দ্বাৰা বিদ্বান সত্ৰ ন্যায়াধীশে ভাৰতীয় দণ্ডবিধিৰ ৩০২ নং ধাৰা ৰ লগতে ৩৪ নং ধাৰাত তিনিওজন অভিযুক্তক দোষী

সাব্যস্ত কৰি প্ৰত্যেককে আজীৱন কাৰাদণ্ড প্ৰদান কৰাৰ লগতে ৫০০ টকা জৰিমনা বিহে আৰু অন্যথাই আৰু ছমাহৰ বাবে সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। আপীলকাৰীকে ধৰি দোষী সাব্যস্ত হোৱা ব্যক্তিসকলে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ত ১৯৮৩ নং ফৌজদাৰী আপীল নম্বৰ ৫৬০-ডিবি দাখিল কৰে। ১৯৮৪ চনৰ ১৭ জুলাইৰ বিবাদিত ৰায়দানত উচ্চ ন্যায়ালয়ে দুজন সহ-অভিযুক্ত লচমান সিং আৰু বলবীৰ সিঙক তেওঁলোকৰ বিৰুদ্ধে থকা অভিযোগৰ পৰা মুক্ত কৰে। কিন্তু উচ্চ ন্যায়ালয়ে ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাৰ অধীনত আপীলকাৰী ৰ বিৰুদ্ধে হত্যাৰ দোষী সাব্যস্ত কৰণৰ ৰায় বাহাল ৰাখে। এই গোচৰত ১৯৮২ চনৰ ২৮ জুলাইৰ নিশা প্ৰায় ৯:০০ বজাত সংঘটিত হোৱা সুচা সিঙৰ হত্যাকাণ্ডৰ লগত কোনো অভিযুক্তক জড়িত কৰা ৰ বাবে ৰাজ সাক্ষীৰ অৰ্থাৎ গোচৰীয়া পক্ষৰ ১৩ নম্বৰ সাক্ষীৰ সাক্ষ্যৰ বাদে আন কোনো স্পষ্ট প্ৰমাণ পোৱা নাই । ভাৰতীয় সাক্ষ্য আইন, ১৮৭২ৰ ধাৰা ১১৪ৰ দৃষ্টান্ত (খ) অনুসৰি, এজন সহ অভিযুক্তৰ সাক্ষ্য বিশদ সাক্ষ্য প্ৰমাণেৰে সমৰ্থিত নহ'লে নিৰ্ভৰযোগ্য বুলি গণ্য কৰা নহয়। এই নিৰ্দিষ্ট গোচৰটোত উল্লেখিত ৰাজ সাক্ষীৰ সাক্ষ্যৰ বাহিৰে একমাত্ৰ অন্য সাক্ষ্য হ'ল গোচৰীয়া পক্ষৰ ১৬ নম্বৰ সাক্ষীয়ে দিয়া সাক্ষ্য, যিজন মৃতকৰ ভাতৃ আৰু তেওঁ কেৱল কৈছিল যে তেওঁ মৃত ব্যক্তিজনক মিধাৰ গাওঁৰ খালৰ ওপৰত থকা দলঙৰ ওচৰত ১৯৮২ চনৰ ২৮ জুলাইত নিশা প্ৰায় ৯.০০ বজাত দেখিছিল আৰু মৃতকজন আপীলকাৰী শ্বেৰা সিঙৰ সৈতে পশ্চিম দিশলৈ গৈছিল । যিহেতু গোচৰীয়া পক্ষৰ ১৬ নং সাক্ষীয়ে গোচৰত আন দুজন অভিযুক্ত ব্যক্তিৰ নাম উল্লেখ কৰা নাছিল, সেয়েহে উচ্চ ন্যায়ালয়ে বাকী দুজন অভিযুক্তক সন্দেহৰ পৰা উদ্ভৱ হোৱা লাভালাভৰ ভিত্তিত তেওঁলোকক দোষমুক্ত বুলি গণ্য কৰি, তেওঁলোক দোষমুক্ত বুলি ৰায় প্ৰদান কৰিছিল। অৱশ্যে যিহেতু গোচৰীয়া পক্ষৰ ১৬ নং সাক্ষীয়ে গোচৰত মৃতকক শেষবাৰৰ বাবে একেলগে দেখা পোৱা ব্যক্তি হিচাপে আপীলকাৰীৰ নাম উল্লেখ কৰিছে, সেয়েহে উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ দোষী সাব্যস্ত কৰণৰ ৰায় বাহাল ৰাখিছিল। উচ্চ ন্যায়ালয়ে ৰায় প্ৰদান কৰে যে গোচৰীয়া পক্ষৰ ১৬ নম্বৰ সাক্ষীৰ সাক্ষ্য, যিয়ে কয় যে মৃতকক শেষবাৰৰ বাবে আপীলকাৰীৰ সৈতে একেলগে দেখা গৈছিল, সেইয়া ৰাজ সাক্ষী অৰ্থাৎ গোচৰীয়া পক্ষৰ ১৩ নম্বৰ সাক্ষীৰ সাক্ষ্যই সমৰ্থন কৰে।

আমাৰ দৃষ্টিত উচ্চ ন্যায়ালয়ৰ এনে ৰায় ন্যায্য নহয়। কেৱল গোচৰীয়া পক্ষৰ ১৬ নম্বৰ সাক্ষীয়ে মৃতকক শেষবাৰৰ বাবে আপীলকাৰীৰ সৈতে একেলগে দেখা বুলি কোৱাৰ অৰ্থ এইটো নহয় যে আপীলকাৰীক হত্যাৰ বাবে দোষী সাব্যস্ত কৰিব পাৰি। এজন ৰাজ সাক্ষীৰ সাক্ষ্য উপযুক্ত সাক্ষ প্ৰমাণেৰে সমৰ্থিত হ'ব লাগিব। যি পৰিস্থিতিৰ বিষয়ে গোচৰীয়া পক্ষৰ ১৬ নম্বৰ সাক্ষীয়ে সাক্ষ্য দান কৰিছে সেইয়া সাক্ষ্যক সমৰ্থন কৰা সমল বুলি গণ্য কৰিব নোৱাৰি। গতিকে, গোচৰীয়া পক্ষৰ ১৩ নম্বৰ সাক্ষীৰ সাক্ষ্য প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰি আপীলকাৰীক দোষী সাব্যস্ত কৰাটো ন্যায্য নাছিল। আমি, সেয়েহে, এই আপীলক মঞ্জুৰ কৰি আপীলকাৰীৰ বিৰুদ্ধে দিয়া দোষী সাব্যস্তকৰণ আৰু শাস্তিৰ

ৰায় বাতিল কৰি লো। এই আদালতে আপীলকাৰীক এই আপীল চলি থকা অৱস্থাত জামিনত মুকলি কৰি দিছে। তেওঁৰ জামিননামা খাৰিজ কৰা হ'ল।

আপীল মঞ্জুৰ কৰা হ'ল।

অনুবাদ: মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়